No. of Printed Pages—2

1142 (PDCAB)

[24-HKPD1SN-24J (M2)]

MA 1st Semester (NEP) Exam. 2024 (S2)

ASSAMESE

(অসমীয়া সাহিত্যৰ বুৰঞ্জী ঃ অৰুণোদই যুগৰ পৰা ৰামধেনু পৰৱৰ্তী কাললৈ)

[PGAS, S1-02]

Full Marks : 70

Time : 3 hours

The figures in the right-hand margin indicate marks.

1. তলৰ প্ৰশ্নসমূহৰ যিকোনো *পাঁচটাৰ* উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৪০০ শব্দৰ ভিতৰত) ঃ $10 \times 5 = 50$

   (*a*) প্ৰাক্-অৰুণোদই স্তৱৰ অনা-খ্ৰীষ্টিয়ান লেখক সকলৰ পৰিচয় আগবঢ়াই তেওঁলোকৰ ৰচনাৰাজিৰ চমু মূল্যায়ন আগবঢ়াওক ।

   (*b*) অৰুণোদই স্তৱৰ বিশিষ্ট খ্ৰীষ্টিয়ান আৰু অনা-খ্ৰীষ্টিয়ান লেখক সকলৰ কৃতিৰ পৰিচয় দি দুয়োটা শ্ৰেণীৰ লেখকৰ ৰচনাৰ মাজত প্ৰত্যক্ষ কৰা মিল-অমিলসমূহ উল্লেখ কৰক ।

   (*c*) অৰুণোদই যুগত প্ৰকাশ পোৱা বাতৰি কাকত যেনে 'আসাম বিলাসিনী', 'আসাম নিউজ', 'মৌ' আৰু 'আসাম বন্ধু'ত সমসাময়িক অসমীয়া সমাজ জীৱন আৰু ৰাজনীতিৰ কিবা প্ৰতিফলন ঘটিছেনে ? আপোনাৰ নিজৰ ভাষাত এটি চমু বিশ্লেষণ আগবঢ়াওক ।

   (*d*) জোনাকী যুগৰ দুগৰাকী বিশিষ্ট লেখকৰ ৰচনাৰাজিৰ মূল্যায়ন আগবঢ়াওক । তেওঁলোকৰ ৰচনাৰাজিত জোনাকী যুগৰ কোনবোৰ বৈশিষ্ট্য প্ৰকাশ পাইছে ?- আলোচনা কৰক ।

(*e*) আৱাহন যুগৰ পটভূমিৰ চমু পৰিচয় দি আৱাহন যুগৰ সাহিত্যৰ বৈশিষ্ট্য আৰু বিবিধ ধাৰা সম্পৰ্কে এটি আলোচনা আগবঢ়াওক ।

(*f*) জয়ন্তী যুগৰ পটভূমিৰ চমু পৰিচয় দি জয়ন্তী যুগৰ কেইগৰাকীমান বিশিষ্ট লেখকৰ ৰচনাৰাজিৰ চমু মূল্যায়ন আগবঢ়াওক ।

(*g*) ৰামধেনু যুগৰ অসমীয়া সাহিত্যৰ বিষয়ে এটি আলোচনা আগবঢ়াওক ।

(*h*) ৰামধেনু-পৰৱৰ্তী কালৰ কেইগৰাকীমান উপন্যাসিকৰ ৰচনাৰ মূল্যায়ন আগবঢ়াওক । তেওঁলোকৰ ৰচনাত তেওঁলোকৰ সমসাময়িক যুগটো কিবা প্ৰকাৰে প্ৰতিফলিত হৈছে নে ?- লিখক ।

2. তলৰ প্ৰশ্নসমূহৰ যিকোনো *চাৰিটাৰ* উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২০০ শব্দৰ ভিতৰত) ঃ $5 \times 4 = 20$

(*a*) অৰুণোদই যুগৰ মহিলা লেখকসকলৰ ৰচনাৰাজিৰ বিষয়ে পৰিচয়মূলক টোকা লিখক ।

(*b*) জোনাকী যুগৰ দুই বিশিষ্ট প্ৰতিনিধি হিচাপে 'ঊষা', আৰু 'বাঁহী'ৰ চমু মূল্যায়ন আগবঢ়াওক । দুয়োখন আলোচনীৰ মাজত থকা মিল-অমিলসমূহ বিচাৰ কৰক ।

(*c*) আৱাহন যুগৰ দুগৰাকী বিশিষ্ট গল্পকাৰৰ চমু মূল্যায়ণ আগবঢ়াওক ।

(*d*) ৰামধেনু যুগৰ দুগৰাকী বিশিষ্ট কবিৰ ৰচনাকৃতিৰ চমু মূল্যায়ণ আগবঢ়াওক ।

(*e*) ৰামধেনু পৰৱৰ্তী কালৰ গল্পৰ বিভিন্ন ধাৰা আৰু বৈশিষ্ট্যৰ বিষয়ে আলোচনা আগবঢ়াওক ।

(*f*) অসমীয়া সাহিত্যৰ বুৰঞ্জীসমূহৰ চমু পৰিচয় আগবঢ়াওক ।
